DAILY ASSAM

অধ্যায় ৪

# (১) মনোবিজ্ঞান আৰু শিক্ষা

# (Psychology and Education)

বিষয় বস্তু

(ক) মনোবিজ্ঞানৰ ধাৰণা বা মনোবিজ্ঞান কি?

(খ) মনোবিজ্ঞানৰ পৰিসৰ

(গ) মনোবিজ্ঞানৰ শাখা বা ভাগসমূহ

(ঘ) শিক্ষা আৰু মনোবিজ্ঞানৰ সম্বন্ধ

(ঙ) সাৰাংশ

**উদ্দেশ্য**

- ক্রমবিকশিত মনোবিজ্ঞানৰ ধাৰণাৰ সৈতে ছাত্র-ছাত্রীসকলক চিনাকি কৰাই দিয়া
- মনোবিজ্ঞানৰ পৰিসৰৰ বিষয়ে জ্ঞাত কৰা
- মনোবিজ্ঞানৰ বিভিন্ন শাখা আৰু সেইসমূহৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰা।
- শিক্ষা আৰু মনোবিজ্ঞানৰ সম্বন্ধৰ লগত চিনাকি কৰাই দিয়া।

গ্ৰীক শব্দৰ পৰা উৎপত্তি হৈছে বুলি কোৱা হয় 'চাইকি' (psycho) আৰু ল'গজ (Logos)। 'psych'ৰ অৰ্থ Soul বা আত্মা আৰু 'Logos' মানে আলোচনা বা অধ্যয়ন কৰা। গতিকে উৎপত্তিগত অৰ্থৰ দিশৰ পৰা মনোবিজ্ঞানক আত্মা সম্পৰ্কে অধ্যয়ন কৰা বিষয় বুলি গণ্য কৰা হৈছিল। সেইকালত আত্মা সম্বন্ধে উচ্চখাপৰ চিন্তা চৰ্চা কৰাটোৱেই আছিল মনোবিজ্ঞানৰ ঘাই উদ্দেশ্য। এনে চিন্তা কাৰ্যত কেতবোৰ মানসিক ক্ৰিয়া, যেনে, যুক্তি, তৰ্ক, কল্পনা, চিন্তা, অমূৰ্ত ধাৰণা আদি সমূহক গুৰুত্ব দিয়া হৈছিল। পুৰণি গ্ৰীক পণ্ডিত সকলৰ এই মত মানি লোৱা নহ'ল। কাৰণ আত্মাৰ কোনো স্থিতি নাই। ই এক অমূৰ্ত ধাৰণা মাত্ৰ। কোনোধৰণৰ বিজ্ঞানভিত্তি আত্মা নাই বাবে ইয়াৰ ওপৰত পৰীক্ষা-নিৰীক্ষা চলাব নোৱাৰি।

১৮ শ শতিকাৰ এচাম মনোবিদে মনোবিজ্ঞানৰ আন এটি ধাৰণা দাঙি ধৰিছিল। তেওঁলোকৰ মতে মনোবিজ্ঞান হৈছে মনৰ বিজ্ঞান। দাৰ্শনিক হিউম (Hume) মিল (Mill) আৰু বেইনৰ (Bain) মতে মানৱ মন কেতবোৰ ভাবৰ সমষ্টি। মনৰ পৰাই সকলোধৰণৰ ধাৰণাৰ উৎপত্তি হয়। এই তিনিগৰাকী বিখ্যাত চিন্তাবিদৰ চিন্তাধাৰাক এছোচিয়েচনিষ্ট স্কুল (Associa-sonist School) বুলি কোৱা হয়। আত্মাতকৈ মনৰ ধাৰণা কিছু স্পষ্ট যদিও মনোবিজ্ঞান সম্পৰ্কে এই ধাৰণাও মানি লোৱা নহল, কাৰণ আত্মাৰ দৰে মনো এক অমূৰ্ত ধাৰণা। মনৰ নিজস্ব প্ৰকাশ বা স্থিতি নাই। মনৰ স্বৰূপ ব্যাখ্যা কৰাতোও কঠিন। মন সম্পৰ্কে জানিব পাৰি ইয়াৰ দ্বাৰা পৰিচালিত হোৱা কাৰ্য আৰু আচৰণৰ যোগেদিহে।

ইয়াৰ পাছৰ কালছোৱাত কেতবোৰ মনোবিদে মনোবিজ্ঞান চেতনাৰ বিজ্ঞান বুলি সংজ্ঞা দাঙি ধৰিছিল। তেওঁলোকৰ ভিতৰত স্পেইনৰ ভিভ্চৰ (vives) নাম উল্লেখযোগ্য। প্ৰকৃতপক্ষে এইজনা পণ্ডিতেই 'মনোবিজ্ঞান চেতনাৰ বিজ্ঞান' ধাৰণাতো জনপ্ৰিয় কৰি তুলিছিল। কিন্তু এই ধাৰণাও সমালোচনাৰ সম্মুখীন হ'ল। সমালোচক সকলে আঙুলিয়াই দিলে যে চেতন মন স্বয়ং সম্পূৰ্ণ নহয়। ই মনৰ এটি অংশহে। চেতন মনৰ বাহিৰেও অৱচেতন আৰু অচেতন অংশ আছে। বিশেষকৈ অচেতন বা নিৰ্জ্জান মনে মানুহৰ বিভিন্ন ক্ৰিয়া আচৰণ আদিৰ ওপৰত বিশেষ প্ৰভাৱ পেলোৱা দেখা যায়। মনৰ এই অংশ সবাতোকৈ বৃহৎ আৰু প্ৰভাৱশালী। কুৰি শতিকাৰ আগভাগৰ বিখ্যাত দাৰ্শনিক আৰু মনোবিদ ফ্ৰয়ডে অবচেতন মন আৰু ইয়াৰ দ্বাৰা পৰিচালিত ক্ৰিয়া আচৰণ আদি অধ্যয়নৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছিল।

DAILY ASSAM



## (ক) মনোবিজ্ঞানৰ ধাৰণা বা মনোবিজ্ঞান কি? (Concept of Psychology or what is psychology?)

### প্ৰস্তাৱনা

আমি জানো যে প্ৰত্যেক মানুহৰেই এক মন আছে। এই মনেই নানা ধৰণৰ মানসিক ক্ৰিয়া যেনে চিন্তন, ভাব-অনুভূতি, আৱেগ আদি পৰিচালিত আৰু নিয়ন্ত্ৰণ কৰে। এই মানসিক প্ৰক্ৰিয়াসমূহে আমাক ভিন ভিন পৰিস্থিতিত বিভিন্ন কৰ্ম কৰিবলৈ বা আচৰণ দেখুৱাবলৈ উৎসাহ যোগায়। আমাৰ নানাধৰণৰ সৃষ্টিশীল ক্ষমতাৰো আধাৰ হৈছে মন। এই 'মন' কিন্তু ব্যক্তি অনুযায়ী ভিন্ন ভিন্ন। মানৱজাতিৰ এক সমহীয়া মন নাই সেয়েহে মন কি বা কেনেধৰণৰ এই সম্বন্ধে চিন্তা-চৰ্চা অতীত কালৰে পৰা চলি আহিছে। মানসিক ক্ৰিয়াসমূহ কেনেধৰণৰ বা কি কি? কিয় একেটা পৰিস্থিতিত ভিন ভিন ব্যক্তিয়ে বেলেগ বেলেগ আচৰণ দেখুৱায়? কিয় আমি বিভিন্ন মানসিক অৱস্থা অনুভৱ কৰো? কিয় এজন ছাত্ৰই ক্ষীপ্ৰতাৰে শিকিব পাৰে? আন এজনে পিছ পৰি ৰয়? এনে প্ৰশ্নবোৰ আমাৰ মনলৈ প্ৰায়ে আহে। মনোবিজ্ঞানৰ অধ্যয়নে এনেবোৰ বিষয়ৰ ওপৰত আলোকপাত কৰিব পাৰে। এই অধ্যায়ত আমি মনোবিজ্ঞানৰ বিভিন্ন ধাৰণা, পৰিসৰ, মনোবিজ্ঞানৰ বিভিন্ন সম্বন্ধ, শাখা, শিক্ষা আৰু মনোবিজ্ঞান সম্পৰ্কে আলোচনা আগবঢ়াম।

### (ক) মনোবিজ্ঞানৰ ধাৰণা

ছাত্ৰ-ছাত্ৰীসকল, তোমালোকে এটা কথা মনত ৰখা উচিত যে যিকোনো অধ্যয়নৰ বিষয় বস্তু এটাৰ সম্যক ধাৰণা বা সংজ্ঞা দিয়াতো সহজ কাম নহয়। কাৰণ প্ৰতিটো বিষয়ৰে ধাৰণাৰ পৰিবৰ্তন ঘটাৰ লগে লগে ইয়াৰ পৰিসৰৰো বিস্তৃতি ঘটে। 'মনোবিজ্ঞান' বিষয়ৰ ক্ষেত্ৰতো ই প্ৰযোজ্য।সেয়েহে মনোবিজ্ঞানৰ ধাৰণা বা অৰ্থ সম্পৰ্কে সময় বিশেষে ভিন ভিন মত দেখিবলৈ পোৱা যায়।

অধ্যয়নৰ শাখা হিচাবে মনোবিজ্ঞানৰ এক দীঘলীয়া ইতিহাস আছে। অতীজতে ইয়াক এক চিন্তাধৰ্মী বিষয় হিচাপে গণ্য কৰা হৈছিল আৰু মনোবিদসকলে নিৰলে বহি মনৰ বিভিন্ন দিশসমূহৰ বিষয়ে চিন্তা কৰি সিদ্ধান্তত উপনিত হ'বলৈ চেষ্টা কৰিছিল। ১৫৯০ খৃষ্টাব্দত ৰুডলফ্ গোকেল (Rudolt Goekel) নামৰ এজন লেখকে মনোবিজ্ঞানৰ ওপৰত প্ৰথমখন কিতাপ প্ৰণয়ন কৰিছিল। কিতাপখনৰ নাম আছিল 'চাইকলজীয়া' (psychulogia) ইংৰাজী চাইক'লজী (psychology) বা চাইক'লজীয়া শব্দটো দুটা

DAILY ASSAM



মনোবিজ্ঞানৰ সবাতোকৈ জনপ্ৰিয় সংজ্ঞা বুলি ঠাৱৰ হৈছে- 'মনোবিজ্ঞান আচৰণৰ বিজ্ঞান'। আচৰণে কি বুজায়? ইয়াৰ উত্তৰত সহজভাৱে ক'ব পাৰি যে আমি বিভিন্ন পৰিস্থিতিত যিবিলাক প্ৰতিক্ৰিয়া প্ৰদৰ্শন কৰো বা ক্ৰিয়া সম্পাদন কৰো সেয়াই আচৰণ। মনোবিজ্ঞানত অৱশ্যে আচৰণ শব্দতো এক বহল অৰ্থত ব্যৱহৃত হয়। আচৰণে এজন ব্যক্তিৰ শাৰীৰিক মানসিক, বৌদ্ধিক, আবেগিক ক্ৰিয়াসমূহ অন্তৰ্ভুক্ত কৰে। বিভিন্ন ধৰণৰ শাৰীৰিক তথা-যান্ত্ৰিক ক্ৰিয়াসমূহ যেনে— শাৰীৰিক কাৰ্যত লিপ্ত হোৱা, দৌৰা, জঁপিওৱা, খোজকঢ়া আদি, মানসিক আৰু বৌদ্ধিক ক্ৰিয়া যেনে- প্ৰত্যক্ষ কৰা চিন্তন, যুক্তি প্ৰদৰ্শন, স্মৰণ কাৰ্য আদি। আৱেগিক অভিজ্ঞতা যেনে ক্ৰোধৰ অনুভূতি, সুখ-দুখৰ অনুভৱ আদি সকলো আচৰণৰ বহল পৰিসৰৰ ভিতৰত অন্তৰ্ভুক্ত কৰা হয়।

আচৰণসমূহ সহজ-সৰল অথবা জটিল হব পাৰে, ই দীৰ্ঘকালীন বা ক্ষণস্থায়ী হ'ব পাৰে। উদাহৰণস্বৰূপে তোমালোকৰ চকুত উজ্জ্বল পোহৰ পৰিলে চকুমুদা বা টিপিওঁৱা এইয়া পোহৰ নামৰ উদ্দীপকৰ বিপৰীতে দেখুওৱা প্ৰতিক্ৰিয়া। এনেকুৱা প্ৰতিক্ৰিয়াসমূহ সহজ-সৰল, ক্ষণস্থায়ী আচৰণৰ শাৰীত পৰে। আনহাতে যেতিয়া তোমালোকে তিনি-চাৰি ঘন্টাৰ বাবে কোনো প্ৰতিযোগিতামূলক পৰীক্ষাত বহা, সেইসময়ত প্ৰদৰ্শিত আচৰণ হৈছে জটিল আৰু দীৰ্ঘস্থায়ী। আকৌ কিছুমান আচৰণ বাহ্যিক ভাৱে আমি প্ৰত্যক্ষ কৰিব পাৰো। এনে আচৰণক মুকুলিকৈ দেখুওৱা আচৰণ বুলি কোৱা হয়। এজন ফুটবল খেলুৱৈয়ে খেল পথাৰত দেখুওৱা আচৰণ এনে বিধৰ। আনহাতে এনে কেতবোৰ আচৰণ আছে যিবিলাক আভ্যন্তৰীণ আৰু এই সমূহক মুকলিকৈ নেদেখুওৱা আচৰণ বুলি কোৱা হয়। দবা খেলত জটিল সমস্যাৰ সন্মুখীন হ'লে খেলুৱৈ এজনে যি আচৰণ অনুভূত কৰে সেয়া আভ্যন্তৰীণ বা মুকলিকৈ নেদেখুওৱা ধৰণৰ। কিন্তু এইটো মনত ৰখা উচিত যে আচৰণ কেনেধৰণৰেই নহওক লাগে ই সদায় পৰিৱেশত অৱস্থিত উদ্দীপকৰ দ্বাৰা সংঘটিত হয়। উদ্দীপকৰ প্ৰভাৱৰ ফলস্বৰূপে এজন ব্যক্তিয়ে যি প্ৰতিক্ৰিয়া প্ৰদৰ্শন কৰে সিয়েই আচৰণ।

বিখ্যাত মনোবিদ মেক্‌ডুগেল আৰু বাট্‌চনে মনোবিজ্ঞানক আচৰণৰ বিজ্ঞান বুলি ঘাইকৈ অভিহিত কৰিছিল। মেক্‌ডুগেলৰ মতে মনোবিজ্ঞান হ'ল মানৱ আচৰণ অধ্যয়নৰ প্ৰত্যক্ষ বিজ্ঞান (Psychology is the positive science of conduct or

আধুনিক যুগত মনোবিজ্ঞান এক বিজ্ঞানসন্মত বিষয় হিচাপে পৰিগণিত হৈছে। বৰ্তমানে ইয়াক এক বিজ্ঞান বুলি বিবেচনা কৰা হৈছে যি ভিন ভিন পৰিপ্ৰেক্ষিতত মানসিক প্ৰক্ৰিয়া, অভিজ্ঞতা আৰু আচৰণ অধ্যয়ন কৰে। It is defined formally 'as a science, which studies mental processes experiences and behaviour in diffenent contexts.' এইখিনিতে এইটো স্মৰণীয় যে যদিও অতীজৰ পৰাই মানসিক ক্ৰিয়াসমূহৰ বিষয়ে চিন্তা চৰ্চা চলাই অহা হৈছিল এই বিলাকৰ বিজ্ঞানসন্মত অধ্যয়ন হোৱা নাছিল। প্ৰকৃতপক্ষে ১৯ শ শতিকাৰ পৰাহে মনোবিজ্ঞানীসকলে মন সম্পৰ্কীয় বিষয়বিলাকৰ এক যথাবিহিত আৰু বিজ্ঞানসন্মত অধ্যয়ন আৰম্ভ কৰিছিল।

ওপৰত উল্লেখিত মনোবিজ্ঞানৰ আধুনিক ধাৰণাত মনোবিদসকলে তিনিটা শব্দৰ ওপৰত গুৰুত্ব আৰোপ কৰা দেখা গৈছে যেনে মানসিক প্ৰক্ৰিয়া অভিজ্ঞতা আৰু আচৰণ। আহাছোন এই তিনিটা শব্দ কেনে ধৰণে বা কি অৰ্থত ব্যৱহৃত হৈছে বিচাৰ কৰি চাওঁহক।

মানসিক প্ৰক্ৰিয়া শব্দই এজন ব্যক্তিৰ চেতন অৱস্থা বা সজাগ অৱস্থাৰ কথা বুজাইছে। মানুহে চিন্তা কৰোতে, কোনো সমস্যাৰ সমাধানৰ চেষ্টা কৰোতে, নতুন কথা শিকোতে, স্মৃতি লাভৰ ক্ষেত্ৰত এই মানসিক অৱস্থাৰ প্ৰয়োগ কৰে। এইটো সত্য যে মানসিক প্ৰক্ৰিয়াসমূহ মগজুৰ কাৰ্যৰ যোগেদি প্ৰতিফলিত হয় আৰু এইসমূহ আধুনিক প্ৰযুক্তি যেনে ব্ৰেইন ইমেজিঙৰ (Brain Imaging) সহায়েৰে ঠাৱৰ কৰিব পাৰি। কিন্তু এইটো মনত ৰখা উচিত যে মস্তিষ্কৰ ক্ৰিয়া আৰু মানসিকতা, ইটো সিটোৰ ওপৰত নিৰ্ভৰশীল, যদিও দুয়োটা সম্পূৰ্ণৰূপে একেধৰণৰ নহয়।

মানব অভিজ্ঞতা মনোবিজ্ঞানৰ অধ্যয়নৰ এক মনোগ্ৰাহী বিষয়বস্তু। তোমালোকে জানা যে অভিজ্ঞতা সদায়েই ব্যক্তিনিষ্ঠ বা ব্যক্তিকেন্দ্ৰিক। এজন লোকে আনজনৰ অভিজ্ঞতাৰ প্ৰকৃত ৰূপ কি তাক অনুধাৱন কৰিব নোৱাৰে বা প্ৰত্যক্ষভাৱে উপলব্ধি কৰিব নোৱাৰে। যিজনে অভিজ্ঞতা লাভ কৰে তেওঁহে ইয়াৰ স্বৰূপতা বুজিব বা উপলব্ধি কৰিব পাৰে। মনোবিদসকলৰ মতে আমাৰ অভিজ্ঞতা সমূহ দুই ধৰণৰ অৱস্থাৰ দ্বাৰা প্ৰভাৱিত হয়- বাহ্যিক আৰু আভ্যন্তৰীণ। উদাহৰণস্বৰূপে আমি যেতিয়া মনৰ সুখ আৰু আনন্দত থাকো চিটি বাছত থেলা-হেঁচা পৰিবেশৰ মাজতো অসুবিধা বা কষ্ট অনুভৱ নকৰো। সেয়েহে অভিজ্ঞতাৰ স্বৰূপ বুজিবলৈ মনোবিদসকলে জটিল বাহ্যিক আৰু আভ্যন্তৰীণ অৱস্থা বা কাৰণসমূহ বিশ্লেষণ কৰাৰ প্ৰয়োজন হয়।

DAILY ASSAM



বেছি গুৰুত্ব দিয়া দেখা যায়। উদাহৰণস্বৰূপে হাৰবাৰ্ট (Herbert) হিউম (Hume) আদিৰ দৰে মনোবিদে মনোবিজ্ঞানৰ পৰিসৰ সম্পৰ্কে আলোচনা কৰোতে জ্ঞানৰ দিশৰ ওপৰত বেছি গুৰুত্ব দিছে। তেওঁলোকৰ মতে জ্ঞান নহ'লে ইচ্ছা আৰু অনুভূতি জাগ্ৰত হ'ব নোৱাৰে। আনহাতে বিখ্যাত মনোবিদ মেকডুগেলে দৃঢ়ভাৱে বিশ্বাস কৰে যে মনৰ ইচ্ছা অবিহনে জ্ঞান জন্ম হ'ব নোৱাৰে।

মুঠতে সৰহ সংখ্যক মনোবিদ একমত যে মানুহৰ সজ্ঞান মন তিনিটা উপাদানেৰে গঠিত। সেইকেইটা জ্ঞান, অনুভূতি আৰু ইচ্ছা। এই কেইটাক যথাক্রমে সজ্ঞান (Cognition) ক্রিয়া বৃত্তি (Conation) আৰু অনুভূতি বা আৱেগিক (Affective) দিশ বুলিও কোৱা হয়। মনোবিজ্ঞানৰ পৰিসৰৰ ভিতৰত সজ্ঞান মনৰ দিশসমূহকো অন্তৰ্ভুক্ত কৰা হয়।

মানুহৰ সজ্ঞান মনৰ উপৰিও নিৰ্জ্জান মনো আছে। মনোবিশ্লেষণকাৰী-সকলে নিৰ্জ্জান মনৰ ওপৰত নানাধৰণৰ অধ্যয়ন তথা পৰীক্ষা-নিৰীক্ষা চলাই প্ৰমাণ কৰিছে যে মানৱ আচৰণৰ ওপৰত নিৰ্জ্জান মনে যথেষ্ট প্ৰভাৱ পেলায়। সেয়েহে মনোবিজ্ঞানৰ পৰিসৰৰ ভিতৰত সজ্ঞান মনৰ অধ্যয়নৰ বাহিৰেও নিৰ্জ্জান মনৰ বিভিন্ন দিশ সাঙুৰি লৈছে। গতিকেই ক'ব পাৰি যে মনোবিজ্ঞানৰ পৰিসৰ সীমিত নহয় আৰু দিনে দিনে ইয়াৰ বিস্তৃতি বাঢ়ি গৈছে।

## (গ) মনোবিজ্ঞানৰ শাখা বা ভাগসমূহ (Branches of Psychology)

অধ্যয়নৰ বিষয় হিচাপে মনোবিজ্ঞানৰ মনকৰিবলগীয়া পৰিবৰ্তন ঘটিছে। ইয়াৰ পৰিসৰো দিনে দিনে বাঢ়িছে। মনোবিজ্ঞানত নতুন নতুন চিন্তাধাৰাৰ প্ৰভাৱৰ ফলস্বৰূপে ই বহুতো শাখা বা ভাগলৈ বিস্তাৰিত হৈছে। তলত চমুকৈ কেইবিধমান ভাগৰ আলোচনা আগবঢ়োৱা হ'ল ঃ

**১. জৈৱিক বা শাৰীৰিক মনোবিজ্ঞান (Biological psychology) ঃ** মনোবিজ্ঞানৰ এইবিধ শাখাই মানুহৰ শৰীৰৰ ভিন-ভিন অংগ প্ৰত্যঙ্গ যেনে- ইন্দ্ৰিয়সমূহ, স্নায়ুতন্ত্ৰৰ কাৰ্য, গ্ৰন্থিসমূহৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰে। এই ভাগৰ মতে শাৰীৰিক বিভিন্ন কাৰ্যপ্ৰণালীয়ে মানুহৰ আচৰণৰ ওপৰত বিশেষভাৱে প্ৰভাৱ পেলায়। সেয়েহে মনোবিজ্ঞানত মানৱ শৰীৰ সম্বন্ধে লগতে শাৰীৰিক ক্ৰিয়া আৰু মনৰ সম্বন্ধৰ বিষয়ে আলোচনা কৰা প্ৰয়োজন।

**২. শিশুমনোবিজ্ঞান (Child Psychology) ঃ** মনোবিজ্ঞানৰ এটি বিশেষ আৰু প্ৰয়োজনীয় ভাগ হৈছে শিশুমনোবিজ্ঞান। এই বিধ মনোবিজ্ঞানে ঘাইকৈ শিশুৰ আচৰণজনিত বৈশিষ্ট্য আৰু বিকাশৰ সম্বন্ধে আলোচনা কৰে। শিশুসকলৰ স্বকীয় বৈশিষ্ট্য আৰু বিকাশৰ বিভিন্ন দিশ আছে। বিখ্যাত ফৰাচী দাৰ্শনিক আৰু

behaviour) কিন্তু আচৰণৰ ব্যাখ্যা সম্বন্ধে এই দুজন মনোবিদৰ মত পাৰ্থক্য দেখিবলৈ পোৱা যায়। ৱাট্চনে আচৰণৰ যান্ত্ৰিক ব্যাখ্যা দিছে। আচৰণৰ ওপৰত মনৰ প্ৰভাৱ অস্বীকাৰ কৰে। আনহাতে মেক্ডুগেলে আচৰণ কেৱল যান্ত্ৰিক কাৰ্য বুলি মানি নলয়। তেওঁৰ মতে আচৰণৰ ওপৰত সদায় মন অথবা মানসিক ক্ৰিয়া প্ৰভাৱ পৰে।

মনোবিজ্ঞনৰ ধাৰণাৰ এই বিৱৰ্তনৰ সম্পৰ্কে উল্লেখ কৰি বিখ্যাত মনোবিদ ওডৱৰ্থে দিয়া এটি সুন্দৰ মন্তব্যৰে সামৰণি মাৰিব পাৰো। তেখেতে কৈছিল— প্ৰথমতে মনোবিজ্ঞানে 'আত্মা' হেৰুৱালে তাৰ পাছত 'মন'। তাৰ পাছত 'সচেতনতা'। তথাপিও ইয়াৰ এক ধৰণৰ আচৰণ আছে (First psychology lost its soul, then it lost its mind, then it lost consciousness it still has behaviour of a kind– Woodworth)।

**(খ) মনোবিজ্ঞানৰ পৰিসৰ ঃ- (Scope of psychology)**

অধ্যয়নৰ এক বিষয় হিচাপে মনোবিজ্ঞানৰ নিজস্ব পৰিধি বা পৰিসৰ আছে। মূলতঃ এই বিষয়ে মানৱ অভিজ্ঞতা তথা আচৰণ অধ্যয়ণ কৰে। মনোবিজ্ঞানে প্ৰথমে আচৰণ উৎপত্তিৰ কাৰণসমূহ বিচাৰ কৰে আৰু তাৰ পাছত আচৰণৰ স্বৰূপ বা প্ৰকৃতি অধ্যয়ন কৰে।

মনোবিদ ষ্টাউটৰ (Stout) মতে মনোবিজ্ঞানে মানুহৰ কিছুমান বিশেষ অভিজ্ঞতা যেনে সংবোধন লাভ, মনোযোগ, মনৰ ইচ্ছা, অনুভূতি, কল্পনা আদিৰ বিষয়ে আলোচনা কৰে। মনোবিদসকলৰ মতে এজন মানুহৰ যিকোনো অভিজ্ঞতাত তিনিটা বৈশিষ্ট্য নিহিত থাকে যেনে- জ্ঞান, ইচ্ছা আৰু অনুভূতি। মনোবিদৰ মত অনুযায়ী এই তিনিবিধৰ কোনোবা এবিধৰ ওপৰত

**মনত ৰাখিবলগীয়া**

১. মনোবিজ্ঞানৰ সংজ্ঞাৰ ক্ৰমবিকাশ ঘটিছে।
২. প্ৰথমতে মনোবিজ্ঞানক আত্মাৰ বিজ্ঞান বুলি কৈছিল।
৩. ১৮ শ শতিকাত মনোবিজ্ঞানক মনৰ বিজ্ঞান বোলা হৈছিল।
৪. মনোবিজ্ঞানৰ আধুনিক আৰু সৰ্বসন্মত সংজ্ঞা হ'ল যে ই এনে এবিধ বিজ্ঞান যি ভিন ভিন পৰিপ্ৰেক্ষিতৰ মানৱৰ মানসিক প্ৰক্ৰিয়া, অভিজ্ঞতা আৰু আচৰণ অধ্যয়ন কৰে।

DAILY ASSAM



চিকিৎসা আৰু প্ৰতিৰোধ ব্যৱস্থাৰ ওপৰত অধ্যয়ন কৰে। ইয়াৰ আনুসংগিক আৰু এটা বিষয় হৈছে মনোবৈজ্ঞানিক পৰামৰ্শদান। এনে মন সম্বন্ধীয় পৰামৰ্শদান ব্যৱস্থাই এজন ব্যক্তিক বিভিন্ন ধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ আৰু জীৱনৰ কঠোৰ সমস্যাবোৰ সমাধানৰ পথ বিচৰাত সহায় কৰে।

৭. শিক্ষা মনোবিজ্ঞান (**Educational Psychology**) ঃ ব্যৱহাৰিক মনোবিজ্ঞানৰ সবাতোকৈ উল্লেখযোগ্য আৰু শিক্ষাক্ষেত্ৰত প্ৰয়োজনীয় শাখাটোৱেই হৈছে শিক্ষা মনোবিজ্ঞান। ইয়াত শিক্ষাৰ্থীয়েই হৈছে অধ্যয়নৰ কেন্দ্ৰস্বৰূপ। শিক্ষাৰ ঘাই উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰীৰ আচৰণ সংশোধন কৰা। শিক্ষা মনোবিজ্ঞানে শিক্ষাবিদসকলক শিশুৰ আচৰণ সম্বন্ধে অৱগত হোৱাত সহায় কৰে আৰু লগতে তেওঁলোকৰ আচৰণজনিত সমস্যাসমূহৰ সমাধানৰ পথ নিৰ্দেশন কৰে। এই ধাৰাটোৱে ব্যক্তিৰ শৈশৱকালৰ পৰা প্ৰাপ্তবয়স্কলৈকে বিকাশৰ বিভিন্ন স্তৰ তথা আনুসংগিক বৈশিষ্ট্যসমূহ অধ্যয়ন কৰে। ইয়াৰ উপৰিও শিক্ষকসকলক ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন সাপেক্ষে পাঠ্যক্ৰম আৰু শিক্ষণৰ পদ্ধতি প্ৰস্তুতকৰণত বিশেষভাৱে সহায় আগবঢ়ায়।

### (ঘ) শিক্ষা আৰু মনোবিজ্ঞানৰ সম্বন্ধ (Relation between Education and Psychology)

অধ্যয়নৰ দুবিধ বিষয় হিচাপে বিচাৰ কৰিলে শিক্ষা আৰু মনোবিজ্ঞানৰ মাজত যথেষ্ট পাৰ্থক্য পৰিলক্ষিত হয়। দুয়োটা বিষয়ৰে উদ্দেশ্য ভিন্নমুখী। শিক্ষাক এবিধ আদৰ্শনিষ্ঠ বিজ্ঞান বোলা হয়। ই ঘাইকৈ শিক্ষাত কেনেধৰণৰ আদৰ্শ আৰু নীতি অনুধাৱন কৰিব লাগে সেই বিষয়ে আলোচনা কৰে। আনহাতে মনোবিজ্ঞান হৈছে এক বাস্তৱ ভিত্তিক বিজ্ঞান ই এনেধৰণৰ বিষয়বস্তু অধ্যয়ন কৰে, যিবিলাক এজন ব্যক্তিয়ে এক বিশেষ পৰিস্থিতিত দেখুওৱা আচৰণত দৃশ্যমান, শ্ৰাব্য আৰু স্পৰ্শনীয়। মনোবিজ্ঞানে অনুমানৰ ভিত্তিত তত্ত্ব প্ৰতিষ্ঠা কৰাৰ বিপৰীতে প্ৰত্যক্ষ নিৰীক্ষণ আৰু পৰীক্ষা প্ৰণালীৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই দুই পদ্ধতিৰ সহায়েৰে তেওঁলোকে ব্যক্তিৰ আচৰণ সম্পৰ্কে জ্ঞান আয়ত্ত কৰিবলৈ চেষ্টা কৰে।

কিন্তু এই পাৰ্থক্যসমূহ থকা সত্ত্বেও শিক্ষা আৰু মনোবিজ্ঞান পৰস্পৰ বিৰোধী নহয়। ইটো

মনোবিজ্ঞানৰ ঘাই শাখাসমূহ

| মনোবিজ্ঞান | | | | | | |
|---|---|---|---|---|---|---|
| জৈৱিক | শিশু | বিকাশসম্বন্ধীয় | সামাজিক | পৰিবেশীয় | নৈদানিক | শিক্ষা |
| মনোবিজ্ঞান | মনোবিজ্ঞান | মনোবিজ্ঞান | মনোবিজ্ঞান | মনোবিজ্ঞান | মনোবিজ্ঞান | মনোবিজ্ঞান |

শিক্ষাবিদ ৰুচোই (J.J Rousseau) কৈছিল 'A Child is a child, before he is a man' শিশুসকল প্ৰপ্তবয়স্কসকলতকৈ সম্পূৰ্ণ পৃথক। তেওঁলোকৰ ধ্যান-ধাৰণা, বুদ্ধি, আৱেগ-অনুভূতি আদি স্বকীয়। গতিকেই শিশুমনোবিজ্ঞান মনোবিজ্ঞানৰ এক বৃহৎ শাখাৰূপে পৰিগণিত হৈছে আৰু শিশু শিক্ষাৰ ক্ষেত্ৰত ই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

৩. বিকাশসম্বন্ধীয় মনোবিজ্ঞান (**Developmental psychology**)ঃ মাতৃগৰ্ভত স্থিতি লাভ কৰি জন্মলভাৰ পৰা মৃত্যু পৰ্য্যন্ত এই জীৱন যাত্ৰাত এজন ব্যক্তিয়ে বিভিন্ন বয়স আৰু বিকাশৰ স্তৰৰ মাজেৰে জীৱনত আগবাঢ়িবলগীয়া হয়। মনোবিজ্ঞানৰ যি শাখাই মানৱ জীৱনৰ বিভিন্ন বয়স আৰু স্তৰত ঘটা শাৰীৰিক, মানসিক, সামাজিক পৰিৱৰ্তন তথা বৈশিষ্টসমূহ অধ্যয়ন কৰে সেই শাখাকে বিকাশসম্বন্ধীয় মনোবিজ্ঞান বোলে। অতীজতে এই শাখাই কেৱল শৈশৱ আৰু কৈশোৰ কালৰ বিকাশ অধ্যয়নৰ ওপৰতে গুৰুত্ব দিছিল। কিন্তু বৰ্তমানে প্ৰাপ্তবয়স্ক আৰু বয়সীয়ালসকলৰ বিভিন্ন দিশ সম্বন্ধে অধ্যয়নৰ ওপৰতো দৃষ্টি নিক্ষেপ কৰিছে।

৪. সামাজিক মনোবিজ্ঞান (**Social Psychology**) ঃ মনোবিজ্ঞানৰ এইবিধ শাখাই ঘাইকৈ দুটা দিশ অধ্যয়ন কৰে। প্ৰথম হৈছে বিভিন্ন সামাজিক পৰিবেশ বা পৰিস্থিতিয়ে মানুহৰ আচৰণৰ ওপৰত কেনেধৰণে প্ৰভাৱ পেলায়? দ্বিতীয়তে মানুহে নিজে পৰিবেশৰ ওপৰত কেনে প্ৰভাৱ পেলাব পাৰে। আজিকালি সামাজিক বা সমাজবাদী মনোবিজ্ঞানীসকলে ন-ন সামাজিক দিশ যেনে সমাজৰ লোকসকলৰ ইজনৰ সিজনৰ মাজত সম্বন্ধ, সহযোগিতা, দলীয় আনুগত্য, বিভিন্ন সামাজিক দলৰ মাজৰ সম্বন্ধ, কুসংস্কাৰ, হিংসাত্মক কাৰ্য, সামাজিক অভিৰোচন আদিৰ বিষয়ে অধ্যয়নৰ প্ৰতি আগ্ৰহ দেখুওৱা পৰিলক্ষিত হৈছে।

৫. পৰিৱেশীয় মনোবিজ্ঞান (**Environmental Psychology**)ঃএইবিধ মনোবিজ্ঞানে পৰিবেশীয় বিভিন্ন অৱস্থা বা কাৰণসমূহ যেনে তাপমাত্ৰা, পৰিবেশীয় প্ৰদুষণ, আৰ্দ্ৰতা, প্ৰাকৃতিক দুৰ্যোগ আদিয়ে মানৱ আচৰণৰ ওপৰত পেলোৱা প্ৰভাৱৰ বিষয়ে আলোচনা তথ্য অধ্যয়ন কৰে। পৰিৱেশীয় মনোবিজ্ঞানীসকলে বৰ্তমানে কেতবোৰ নতুন বিষয় যেনে পৰিৱেশৰ আৱৰ্জনাৰ বিজ্ঞানসন্মত দূৰীকৰণৰ ব্যৱস্থা, শক্তি সংৰক্ষণ, বৰষুণৰ পানী সংগ্ৰহ আৰু সংৰক্ষণৰ ব্যৱস্থা, জনসংখ্যা বিস্ফোৰণ আদিৰ ওপৰত গৱেষনা হাতত লোৱা দেখা গৈছে।

৬. নৈদানিক মনোবিজ্ঞান (**Clinical Psychology**) ঃ মনোবিজ্ঞানৰ এইটো ধাৰাই ঘাইকৈ ব্যক্তিৰ মানসিক অসুস্থতা সম্বন্ধে আলোচনা কৰে। ই মানসিক অসুস্থতাৰ কাৰণ,

আৱশ্যকীয় হৈ পৰিছে। এই দুয়োবিধ কেৱল যে শিক্ষাৰ্থীৰ বাবেই প্ৰয়োজনীয় এনে নহয়, পিতৃ-মাতৃৰ বাবেই দৰকাৰী। নিৰ্দেশনা আৰু পৰামৰ্শদানৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন ধৰণৰ শিক্ষাকেন্দ্ৰক, আচৰণজনিত আৰু সামাজিক সমস্যাসমূহ সহজেই সমাধান কৰিব পাৰি। আমি সকলোৱে জানো যে মনোবিজ্ঞানৰ জ্ঞান অবিহনে নিৰ্দেশনা আৰু পৰামৰ্শদান কাৰ্য্য হাতত লোৱা সম্ভৱ নহয়।

আগতেই কোৱা হৈছে যে শিক্ষা আৰু মনোবিজ্ঞান এটা আনটোৰ ওপৰত নিৰ্ভৰশীল। মনোবিজ্ঞানৰ কেতবোৰ দিশৰ ওপৰত শিক্ষাই বাৰুকৈয়ে প্ৰভাৱ পেলোৱা দেখা যায়। শিক্ষা অবিহনে মনোবিজ্ঞানৰ আজিৰ দৰে ক্ষীপ্ৰগতিৰে বিকাশ নহ'লহেঁতেন। মনোবিজ্ঞানত হোৱা নানাধৰণৰ গৱেষণাৰ ফলাফলসমূহ একমাত্ৰ শিক্ষাৰ মাধ্যমেৰেহে প্ৰচাৰ আৰু প্ৰসাৰ হৈছে। শিক্ষাই হে জ্ঞানৰ এক শাখা হিচাপে মনোবিজ্ঞানক সমগ্ৰ পৃথিবীতে বিখ্যাত আৰু জনপ্ৰিয় কৰি তুলিছে। শিক্ষাই মনোবিজ্ঞানৰ পৰিসৰৰ বৃদ্ধি ঘটাইছে। তাৰোপৰি শিক্ষাৰ অবদানৰ ফলতে মনোবিজ্ঞানৰ কেবাটাও নতুন শাখা যেনে শিশু মনোবিজ্ঞান, শিক্ষা মনোবিজ্ঞান, শাৰীৰিক আৰু মানসিকভাৱে বাধাপ্ৰাপ্তসকলৰ মনোবিজ্ঞান আদিৰ জন্ম আৰু বিকাশ ঘটিছে।

গতিকেই ক'ব পাৰি যে শিক্ষা আৰু মনোবিজ্ঞানৰ এক নিশ্চত সম্বন্ধ আছে। দুয়োটা বিষয় একেটা মুদ্ৰাৰ দুটা পিঠি সদৃশ আৰু এটা অবিহনে আনটোৰ স্থিতি তথা প্ৰগতি সম্ভৱ নহয়।

মনত ৰাখিবলগীয়া

১. অধ্যয়নৰ বিষয় হিচাপে শিক্ষা আৰু মনোবিজ্ঞানৰ যথেষ্ট পাৰ্থক্য আছে।
২. দুয়োবিধ বিষয়ৰ স্বকীয় উদ্দেশ্য আৰু পৰিসৰ আছে।
৩. পাৰ্থক্য থকা সত্ত্বেও শিক্ষা আৰু মনোবিজ্ঞানৰ গভীৰ সম্বন্ধ আছে।
৪. মনোবিজ্ঞানে শিক্ষানীতিৰ প্ৰয়োগ আৰু শ্ৰেণীকোঠাৰ পৰিৱেশত দেখা দিয়া সমস্যাসমূহৰ সমাধানত সহায় কৰে। আনহাতে শিক্ষাইও মনোবিজ্ঞানৰ তথ্যসমূহৰ যথাযথ ৰূপায়ণত সহায় আগবঢ়ায়।
৫. শিক্ষা আৰু মনোবিজ্ঞান এটা আনটোৰ পৰিপূৰক, বিৰোধী নহয়।
৬. শিক্ষাই মনোবিজ্ঞানৰ পৰিসৰ বৃদ্ধি কৰিছে।

DAILY ASSAM



সিটোৰ পৰিপূৰক আৰু দুয়োবিধ বিষয়ৰ মাজত সম্বন্ধ আৰু নিৰ্ভৰশীলতা আছে।

ই সত্য যে দৰ্শনে শিক্ষাৰ তত্ত্ব উদ্ভাৱন উদ্দেশ্য নিৰ্ণায়ণ আদি কাৰ্যত সদায় সহায় কৰে। কিন্তু এইটোও অতি মনকৰিবলগীয়া বিষয় যে শিক্ষাতত্ত্ব প্ৰয়োগ আৰু শিক্ষাৰ নিৰ্দ্ধাৰিত লক্ষ্যসমূহত উপনীত হোৱাৰ ক্ষেত্ৰত মনোবিজ্ঞানেহে বিশেষ বৰঙণি আগবঢ়ায়। আগৰ পণ্ডিতসকলৰ মতে বহুতো শিক্ষাৰ তত্ত্ব মনোবিজ্ঞানিক চিন্তা চৰ্চাৰ পৰা উদভাৱিত হৈছে।

প্ৰতিটো শিক্ষা ব্যৱস্থাৰে নিজস্ব কেতবোৰ নীতি আৰু আদৰ্শ আছে। উদাহৰণস্বৰূপে পূৰ্ব প্ৰাথমিক শিক্ষা ব্যৱস্থাৰ নীতি আৰু আদৰ্শ উচ্চ মাধ্যমিক শিক্ষা ব্যৱস্থাতকৈ সম্পূৰ্ণ পৃথক। কিন্তু যিকোনো শিক্ষা ব্যৱস্থা কাৰ্যকৰী বা ফলপ্ৰসু হ'বলৈ হ'লে মনোবিজ্ঞানৰ সহায় অপৰিহাৰ্য। কাৰণ বিভিন্ন মানসিক প্ৰক্ৰিয়া যেনে- শিক্ষণ, স্মৃতিশক্তি, অভিৰোচন, বৌদ্ধিক ক্ষমতা, ব্যক্তিত্ব গঠন আদিৰ সম্পৰ্কে জ্ঞান শিক্ষাব্যৱস্থা কাৰ্যকৰী কৰিবৰ অৰ্থে অতি প্ৰয়োজনীয়।

শিক্ষাব্যৱস্থাৰ এটি ঘাই উপাদান হৈছে শ্ৰেণীকোঠাৰ শিক্ষণ। মন সম্বন্ধীয় জ্ঞান বিশেষকৈ শিক্ষাৰ্থীৰ বুদ্ধিমত্তা, আগ্ৰহ, অভিৰুচি আদি বিকাশৰ বিভিন্ন স্তৰত কেনেধৰণৰ হ'ব পাৰে, এইবিলাকৰ উপলব্ধি থাকিলেহে শিক্ষণ আৰু শিক্ষাদান প্ৰক্ৰিয়া ফলপ্ৰসু হ'ব। মনোবিজ্ঞানে উপযুক্ত শিক্ষণৰ পদ্ধতি প্ৰস্তুতকৰণ আৰু শ্ৰেণীকোঠাত প্ৰয়োগৰ ক্ষেত্ৰতো যথেষ্ট অৱদান আগবঢ়াই আহিছে। একমাত্ৰ মনোবিজ্ঞানৰ জ্ঞানৰ আধাৰতে ভিন ভিন শিক্ষণ পদ্ধতি প্ৰস্তুত হৈছে। উদাহৰণস্বৰূপে ক'ব পাৰি যে বিভিন্ন শিক্ষাব্যৱস্থাত বৰ্তমানে প্ৰচলিত 'কৰ্মৰ জৰিয়তে শিক্ষা' ( Learning by doing), 'খেলাৰ মাধ্যমেৰে শিক্ষা' (Play way method) 'প্ৰজেক্ট পদ্ধতি' (Project method), আনন্দদায়ক শিল্প (Joytal) আদি নতুন পদ্ধতিসমূহ মনোবিজ্ঞানৰেই অৱদানৰ ফল। আনহাতে এইটোও স্বীকাৰ্য যে শিক্ষা ব্যৱস্থাৰ অবিহনে শিক্ষণ পদ্ধতিসমূহৰ কোনোধৰণৰ প্ৰয়োগ নহ'লহেতেঁন বা সেইবিলাকে পোহৰৰ মুখ নেদেখিলেহেঁতেন।

শিক্ষাৰ আৰু দুটা বিশেষ ক্ষেত্ৰ আছে য'ত মনোবিজ্ঞানৰ প্ৰয়োগ দেখা যায়। সেয়া হ'ল শিক্ষাৰ্থীক প্ৰণোদিত কৰাৰ কৌশল আৰু ভাৱৰ আদান প্ৰদানৰ নিপুণতা বৃদ্ধিকৰণ। যিকোনো শিক্ষণ এই দুয়োটাৰে অবিহনে সম্ভৱ হ'ব নোৱাৰে। জ্ঞান গ্ৰহণ কৰিবৰ বাবে ছাত্ৰ-ছাত্ৰী প্ৰনোদিত হ'ব লাগিব আৰু একে সময়তে শিক্ষাদাতা আৰু শিক্ষাৰ্থীৰ মাজত ভাৱৰ আদান-প্ৰদান বা বুজা-পৰা থাকিব লাগিব। ছাত্ৰ-ছাত্ৰীৰ অভিপ্ৰায় সম্বন্ধে বুজিবলৈ আৰু আদান-প্ৰদানৰ বিজ্ঞানসন্মত কৌশল আয়ত্ত কৰিবলৈ মনোবিজ্ঞানৰ জ্ঞান অৱশ্যেই অপৰিহাৰ্য্য।

আধুনিক শিক্ষা ব্যৱস্থাত নিৰ্দেশনা (Guidance) আৰু পৰামৰ্শদান (Conselling)

## প্ৰশ্নাৱলী

ছাত্ৰ-ছাত্ৰীসকল তলত দিয়া বিভিন্ন ধৰণৰ প্ৰশ্নসমূহৰ উত্তৰ লিখিবলৈ যত্ন কৰিবা। ই তোমাক পাঠটি আয়ত্ত কৰাত সহায় কৰিব।

**ৰচনাত্মক বা দীঘলীয়া প্ৰশ্ন**

১। অধ্যয়নৰ এক বিষয় হিচাপে মনোবিজ্ঞানৰ ধাৰণাৰ পৰিবৰ্তনৰ এক চমু ইতিহাস দাঙি ধৰা।

২। মনোবিজ্ঞানৰ বিভিন্ন ধাৰণাৰ ভিতৰত কোনটো তোমাৰ গ্ৰহণযোগ্য আৰু কিয়?

৩। মনোবিজ্ঞানৰ পৰিসৰ সম্বন্ধে চমুকৈ লিখা।

৪। 'শিক্ষা আৰু মনোবিজ্ঞান ইটোৰ সিটোৰ পৰিপূৰক, বিৰোধী নহয়'- উক্তিটিৰ ব্যাখ্যা দাঙি ধৰা।

**চমু প্ৰশ্নঃ-**

১। মনোবিজ্ঞান শব্দটোৰ উৎপত্তি সম্বন্ধে লিখা।

২। মনোবিজ্ঞানক কিয় আচৰণ বিজ্ঞান বোলা হয়?

৩। মনোবিজ্ঞানৰ পৰিসৰ যথেষ্ট ব্যাপক- উক্তিটিৰ যথাৰ্থতা বিচাৰ কৰা।

৪। মনোবিজ্ঞানৰ দুটা শাখাৰ নাম উল্লেখ কৰা আৰু সেই দুটা বৰ্ণনা কৰা।

**বস্তুনিষ্ঠ প্ৰশ্নঃ-**

**তলত দিয়া বাক্যসমূহৰ বিপৰীতে 'সত্য' বা 'অসত্য' লিখি উত্তৰ দিয়া ঃ-**

(ক) মনোবিজ্ঞান এবিধ ইতিবাচক বিজ্ঞান।

(খ) মনোবিজ্ঞানে শিক্ষাৰ উদ্দেশ্য নিৰ্ধাৰণ কৰে।

(গ) মনোবিজ্ঞানক আচৰণৰ-বিজ্ঞান বোলা হয়।

(ঘ) শিশুমনোবিজ্ঞানে কৈশোৰৰ আচৰণ অধ্যয়ন কৰে।

(ঙ) মনোবিজ্ঞানত গৱেষনাগাৰৰ পৰীক্ষা-নিৰীক্ষাৰ প্ৰয়োজন নাই।

(চ) শিক্ষা আৰু মনোবিজ্ঞানৰ উদ্দেশ্য একেধৰণৰ।

**তলত দিয়া উক্তিসমূহৰ শুদ্ধতা/অশুদ্ধতা বিচাৰ কৰাঃ-**

(ক) শিক্ষাৰ তত্ত্বসমূহৰ নিৰ্ধাৰণত মনোবিজ্ঞানে সহায় কৰে।

(খ) শিক্ষা আৰু মনোবিজ্ঞান, ইটো সিটোৰ পৰিপন্থী।

(গ) মনোবিজ্ঞানে কেৱল মনৰ সচেতন দিশতো অধ্যয়ন কৰে।

DAILY ASSAM



## সাৰাংশ

কেৱল এটা সংজ্ঞাৰে মনোবিজ্ঞান কি বুজাব নোৱাৰি কাৰণ এই বিষয়টোৰ জন্মলগ্নৰ পাছৰ পৰা অভূতপূর্ব বিকাশ ঘটিছে। আৰম্ভণিতে মনোবিজ্ঞানক 'আত্মাৰ বিজ্ঞান' বা আত্মাৰ সম্বন্ধীয় অধ্যয়নৰ বিষয় বুলি গণ্য কৰা হৈছিল। কিন্তু আধুনিক যুগৰ মনোবিদসকলে মনোবিজ্ঞানৰ এক বহল অর্থ দাঙি ধৰিছে। তেওঁলোকৰ মতে মনোবিজ্ঞানে 'বিভিন্ন প্ৰসংগৰ মানসিক প্ৰক্ৰিয়াসমূহ, অভিজ্ঞতাসমূহ আৰু আচৰণ অধ্যয়ন কৰে' (Studies mental processes, Experiences and behaviour in different contexts) সি যি কি নহওঁক 'মনোবিজ্ঞান আচৰণৰ বিজ্ঞান' (Science of Behaviour) বুলিয়েই সাধাৰণতে জনাজাত। আচৰণ শব্দটোৱে এক বিশেষ পৰিবেশ বা পৰিস্থিতিত যিকোনো উদ্দীপকৰ বিপৰীতে দেখুওৱা প্ৰতিক্ৰিয়াসমূহকে বুজায়।

এক অধ্যয়নৰ বিষয় হিচাপে মনোবিজ্ঞানৰ নিজস্ব পৰিধি বা পৰিসৰ আছে। সাধাৰণতে ই আচৰণৰ অন্তর্নিহিত কাৰণ আৰু মানৱ আচৰণ স্বৰূপ অধ্যয়ন কৰে। মনোবিজ্ঞানে মানৱ অভিজ্ঞতাৰ ওপৰত গুৰুত্ব দিয়ে আৰু যিহেতু প্ৰতিটো অভিজ্ঞতাৰ লগত জ্ঞান, ক্ৰিয়াবৃত্তি আৰু অনুভূতি জড়িত থাকে মনোবিজ্ঞানে মানৱ মনৰ এই তিনিটা দিশ সম্বন্ধেও আলোচনা কৰে।

মানুহৰ কাৰ্যাৱলী আৰু অভিজ্ঞতাৰ ওপৰত চেতন মনৰ ক্ৰিয়াই ঘাইকৈ প্ৰভাৱ পেলায়। কিন্তু মনৰ এক অচেতন দিশো আছে, যাৰ প্ৰভাৱ নুই কৰিব নোৱাৰি। প্ৰকৃতাৰ্থত আমাৰ বহুতো আচৰণ আৰু কৰ্ম অচেতন মনৰ দ্বাৰা নিৰ্ণিত হয়। সেয়েহে মনোবিজ্ঞানৰ পৰিসৰে চেতন আৰু অচেতন মন অধ্যয়ন- দুয়োবিধকেই সাঙুৰি লয়। গতিকেই দেখা যায় যে মনোবিজ্ঞানৰ পৰিসৰৰ ব্যাপকতা দিনে দিনে বাঢ়িবলৈ ধৰিছে।

মনোবিজ্ঞানৰ বহুধৰণৰ শাখা বা ভাগ আছে। কেইবিধমান মনকৰিবলগীয়া শাখা হ'লঃ- জৈবিক মনোবিজ্ঞান, বিকশাত্মক মনোবিজ্ঞান, সামাজিক মনোবিজ্ঞান, পৰিৱেশীয় মনোবিজ্ঞান, শিশু মনোবিজ্ঞান, শিক্ষা মনোবিজ্ঞান ইত্যাদি।

(ঘ) শ্ৰেনীকোঠাৰ পৰিবেশৰ লগত মনোবিজ্ঞানৰ সম্বন্ধ নাই।

(ঙ) মনোবিজ্ঞানে অস্বাভাৱিক আচৰণ সম্বন্ধে আলোচনা নকৰে।

(চ) মনোবিজ্ঞানৰ পৰিসৰ সীমিত।

প্ৰথমস্তম্ভৰ লগত দ্বিতীয়স্তম্ভৰ উক্তি ৰিজোৱা (ৰেখা অংকন সহায়েৰে)

| প্ৰথম স্তম্ভ | দ্বিতীয় স্তম্ভ |
|---|---|
| ১. মনোবিজ্ঞানে শিক্ষকক | ১. মনৰ বিজ্ঞান বোলা হৈছিল |
| ২. শিক্ষামনোবিজ্ঞান এটি | ২. মানসিক বিকাশ সম্বন্ধে বুজাত সহায় কৰে |
| ৩. নৈদানিক মনোবিজ্ঞানে | ৩. স্বভাৱতে ব্যক্তিকেন্দ্ৰিক |
| ৪. ১৮ শ শতিকাত মনোবিজ্ঞানক | ৪. ব্যৱহাৰিক মনোবিজ্ঞানৰ এটি শাখা |
| ৫. মানৱ অভিজ্ঞতাসমূহ | ৫. পৰামৰ্শদান কাৰ্যত সহায় কৰে। |

**তলত দিয়া ধৰণৰ মনোবিজ্ঞানভিত্তিক ক্ৰিয়া কৰিব পাৰি**

শিক্ষকে ছাত্ৰ-ছাত্ৰীক তেওঁলোক বিশেষ এক ক্ৰিয়াত ব্যস্ত আছে বুলি কল্পনা কৰিবলৈ নিৰ্দেশ দিব লাগে। কেইবিধমান ক্ৰিয়াৰ নাম কৈ তেনেবোৰ কামত কি কি মানসিক প্ৰক্ৰিয়া নিহিত থাকে সেইবোৰ লিখিবলৈ বা মুখেৰে ক'বলৈ দিব লাগে

উদাহৰণ ঃ

(১) কোনো গণিতিক সমস্যা সমাধানৰ ক্ষেত্ৰত

(২) ফুটবল খেলি থাকোতে।

(৩) এক আকৰ্ষণীয় চিনেমা চাই থকাৰ সময়ত

(৪) পৰীক্ষাত প্ৰশ্ন কাকতৰ উত্তৰ লিখি থকা অৱস্থাত

(৫) দূৰদৰ্শনৰ মাধ্যমেৰে সংবাদ লাভ কৰোতে।

DAILY ASSAM